**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হৈছে। বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে আজি ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। তেওঁ বি টি আৰ অঞ্চলত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰি অহাৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ সংখ্যা বিগত বছৰসমূহত বৃদ্ধি পাইছে বুলি মন্তব্য কৰে। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি বছৰি এই ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটক সংখ্যা বৃদ্ধি পোৱাৰ দৰে এইবাৰো যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰে। এই উপলক্ষে আজি এটা বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজিৰেপৰা পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰে।

ইফালে, বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি লখিমপুৰ জিলাৰ লহন গাঁৱত অৱস্থিত গ্ৰাম্যানুভূতি গ্ৰাম্য পৰ্যটন ক্ষেত্ৰখন আজি সন্ধিয়া আনুষ্ঠানিকভাৱে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। গ্ৰাম্য পৰ্যটনৰ বিকাশ আৰু জিলাখনৰ ঐতিহাসিক তথা চহা গাঁৱলীয়া জীৱনৰ প্ৰতিচ্ছবি পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ নতুন ৰূপত সজাই জনসাধাৰণৰ বাবে মুকলি কৰিবলৈ আয়োজন কৰা এই অনুষ্ঠানত স্থানীয় বিধায়কৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

পিতৃ-মাতৃৰ বন্দনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক এইবাৰো বিশেষ ছুটী প্ৰদান কৰা হ'ব। সেই অনুসৰি পিতৃ-মাতৃৰ সেৱা শুশ্ৰূষাৰ বাবে ৬ আৰু ৮ নৱেম্বৰৰ দিন দুটা বিশেষ নৈমিত্তিক ছুটী হিচাপে মঞ্জুৰ কৰা হৈছে। চৰকাৰে জাৰি কৰা জাননীখনত লগতে কোৱা হৈছে যে ৭, ৯ আৰু ১০ নৱেম্বৰ দিনকেইটা যিহেতু চৰকাৰী বন্ধৰ দিন সেয়েহে কৰ্মচাৰীসকলে একেলেথাৰিয়ে ৫ দিন বন্ধ পাব। অৱশ্যে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে একেটা দিনতে ছুটী ল'ব নোৱাৰিব। জাননীখনত লগতে সকিয়াই দিয়া হৈছে যে ছুটীৰ সময়ছোৱাত কোনো বিষয়া-কৰ্মচাৰীয়ে পিতৃ-মাতৃৰ কাষলৈ যোৱাৰ পৰিৱৰ্তে অৱসৰ বিনোদনত সময় কটালে, তেওঁলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে এইকথা স্পষ্ট কৰি দিছে।

০০০০০০০

আধুনিক অসমীয়া সংগীতক অনন্য মাত্রা প্ৰদান কৰা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকী অনুষ্ঠান আজি বিয়লি গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব। শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। শতবাৰ্ষিকী উপলক্ষে বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে মূল ভাষণ দিয়াৰ লগতে সাহিত্য আৰু সংগীত ক্ষেত্ৰৰ বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত তেওঁলোকৰ অনুভৱ ব্যক্ত কৰিব। উদ্বোধনী অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীত পৰিৱেশনৰ লগতে গ্ৰামোফোন ৰেকৰ্ড আৰু ৰেকৰ্ডৰ কপি প্ৰদৰ্শন কৰা হ'ব।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

0000000

ছত্তিশগড়ৰ ভিলাইত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে। ইফালে মহিলাৰ ৫৯ কিলোগ্ৰাম ওজন শাখাত মনালিছা সোণোৱালে সোণৰ আৰু ৮৭ কিলোগ্ৰাম ওজন শাখাত মধুস্মিতা বৰুৱাই ৰূপৰ পদক লাভ কৰিছে।

0000000

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত অনুষ্ঠিত হৈছে । বাংলাদেশে প্ৰথমে বেট ধৰি এই বাতৰি যুগুটোৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত 55 ৰান সংগ্ৰহ কৰিছে। চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত আলহী দলক পৰাস্ত কৰাৰ পাচত ভাৰতে শৃংখলাটো ২-০ ফলাফলেৰে হস্তগত কৰাৰ আপ্ৰাণ প্ৰয়াস কৰিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইৰ তথ্য অনুসৰি দ্বিতীয়খন টেষ্টৰ বাবে ভাৰতীয় দলত থকা খেলুৱৈসকল হ'ল- ৰোহিত শৰ্মা, য়শস্বী জয়ছৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, আৰ অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ , মহম্মদ চিৰাজ, আকাশ দীপ, জছপ্ৰিত বুমৰাহ আৰু য়শ দয়াল।

0000000

সমাপ্ত